# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশৰ জেৱৰ বিমান বন্দৰৰ সমীপত এটা ছেমিকনডাক্টৰ গোট স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নাগালেণ্ডৰ জুলুকিস্থিত পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক ভৱন মুকলি কৰিব।

৩। ছত্তিশগড়ত বিগত ২১ দিনত মাওবাদী বিৰোধী অভিযানত মুঠ ৩১ জন মাওবাদী নিহত হৈছে।

৪। ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত আজি তুৰস্কৰ ইস্তানবুলত হ'বলগীয়া পোনপটীয়া আলোচনাত উপস্থিত নাথাকে বুলি ক্ৰেমলিন মহলে প্ৰকাশ কৰিছে।

*আৰু*

৫। বেংককত অনুষ্ঠিত থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশৰ জেৱৰ বিমান বন্দৰৰ সমীপত এটা চেমিকনডাক্টৰ অৰ্থাৎ অৰ্ধ পৰিবাহী গোট স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত কালি এখন সংবাদমেলত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই গোটটো **ভাৰত চেমিকনডাক্টৰ অভিযান**ৰ অধীনত এইচ চি এল আৰু ফক্সকনে যুটীয়াভাৱে স্থাপন কৰিব। তেওঁ কয়, যে প্ৰতি মাহে ২০ হাজাৰ ৱেফাৰ নিৰ্মাণ কৰিব পৰাকৈ এই প্ৰকল্পটো বিকশাই তোলা হৈছে। প্ৰকল্পটোৰ ডিজাইন আউটপুট ক্ষমতা মাহিলী ৩ কোটি ৬০ লাখ  ইউনিট বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰিছে। তেওঁ কয়, যে জেৱৰত  স্থাপন কৰিবলগীয়া এই নতুন ছেমিকনডাক্টৰ গোটটোৱে ৩ হাজাৰ ৭০০ কোটি টকাৰ বিনিযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব।

*-বাইট-*

মন্ত্ৰীগৰাকীয়ে কয়, যে ৫টা প্ৰকল্প চেমিকনডাক্টৰ প্ৰকল্পৰ নিৰ্মাণকাৰ্য অন্তিম পৰ্যায়ত আছে আৰু এই ষষ্ঠ গোটৰ জৰিয়তে ভাৰত কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ ছেমিকনডাক্টৰ উদ্যোগ বিকশাই তোলাৰ যাত্ৰাত অগ্ৰসৰ হৈছে। তেওঁ কয়, যে ২৭০ খন শৈক্ষিক প্ৰতিষ্ঠান আৰু ৭০ টা ষ্টাৰ্ট আপৰ ছাত্ৰ-ছাত্ৰী তথা উদ্যমীয়ে নতুন সামগ্ৰী বিকশাই তোলাৰ উদ্দেশ্যে অৰ্থে বিশ্বমানৰ শেহতীয়া ডিজাইন প্ৰযুক্তিৰে কাম কৰি আছে।

ooooo

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি বিয়লি মিজোৰামত উপস্থিত হয়। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কৃষি, উদ্যান শস্য, পশুপালন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ভালেসংখ্যক কৃষক তথা হিতাধিকাৰীৰ সৈতেও মত-বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত ২৯ মে'ত দেশজুৰি আৰম্ভ হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানত ৰাজ্যসমূহৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰিব। আজি শ্ৰীচৌহানে মিজোৰাম কৃষি মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি দুপৰীয়াৰ ভাগত নাগালেণ্ডৰ জুলুকিস্থিত পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক ভৱন মুকলি কৰিব। কাইলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ লগতে ৰাজ্যখনৰ কৃষিমন্ত্ৰী আৰু সাংসদসকলৰ সৈতে মত-বিনিময় কৰিব। পৰহিলৈ শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

ooooo

বিজেপিয়ে সিন্দূৰ অভিযানক লৈ প্ৰশ্ন উত্থাপন কৰাৰ বাবে বিৰোধী কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰিছে। কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে এই অভিযানৰ সময়ত অসাধাৰণ বীৰত্ব আৰু নিখুঁটভাৱে আঘাত হনাৰ সামৰ্থ প্ৰদৰ্শন কৰিছে। তেওঁ কয়, যে সিন্দূৰ অভিযান চলি আছে আৰু এই অভিযানক লৈ অবিৰতভাৱে প্ৰশ্ন উত্থাপন কৰি কংগ্ৰেছে প্ৰকৃততে নিজৰ অভিপ্ৰায়ক লৈ প্ৰশ্নৰ অৱতাৰণা কৰিছে। শ্ৰীত্ৰিবেদিয়ে কয়, যে প্ৰতিশ্ৰুতিবদ্ধতা শব্দত নহয় বৰং কাৰ্যত স্পষ্ট হ'ব লাগে। মুখপাত্ৰগৰাকীয়ে কয়, যে কথা-কামত একতা প্ৰতিফলিত হ'ব লাগে কিয়নো মূল্যহীন কথা আৰু পৰস্পৰ বিৰোধী কামে অবিশ্বাসৰ সৃষ্টি কৰে। দেশে যি সময়ত একেস্বৰে কথা কোৱাৰ প্ৰয়োজন, সেই সময়ত কংগ্ৰেছৰ এনে ধৰণৰ আচৰণ অনুচিত আৰু দায়িত্বহীন বুলি মুখপাত্ৰগৰাকীয়ে মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে পাকিস্তানী পতাকা আৰু আনুসংগিক সামগ্ৰী বিক্ৰী কৰাৰ বাবে এমাজন ইণ্ডিয়া, ফ্লিপকাৰ্ট, ইউবাই ইণ্ডিয়া, ইটিচি, ফ্লেগ কোম্পানী আৰু ফ্লেগ কৰ্প'ৰেচনলৈ জাননী জাৰি কৰিছে। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে সামাজিক মাধ্যম যোগে কৈছে, যে এনেধৰণৰ অসংবেদনশীল কাৰ্য সহ্য কৰা নহ'ব। তেওঁ কয়, যে ই বাণিজ্য মঞ্চসমূহক এনে ধৰণৰ সকলো সামগ্ৰী ততালিকে আঁতৰ কৰিবলৈ আৰু ৰাষ্ট্ৰীয় আইন মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

ছত্তিশগড় জিলাৰ বিজাপুৰৰ তেলেংগানা সীমান্তৰ কাৰেগুটা পাহাৰত প্ৰায় ২১ দিন ধৰি চলি থকা মাওবাদী বিৰোধী অভিযানত ১৬ গৰাকী মহিলা মাওবাদীকে ধৰি মুঠ ৩১ জন মাওবাদী নিহত হৈছে। বিজাপুৰত কালি অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, ছত্তিশগড়ৰ আৰক্ষী সঞ্চালক প্ৰধান অৰুণ দেৱ গৌতম আৰু বিজাপুৰৰ আৰক্ষী অধীক্ষক জিতেন্দ্ৰ কুমাৰ যাদৱে কয় যে যোৱা ২১ এপ্ৰিলৰ পৰা ১১ মে'লৈ চলোৱা

অভিযানত মুঠ ২১ বাৰ সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সময়ছোৱাত ছেল্ফ লোডিং ৰাইফল, অৰ্ধস্বয়ংক্ৰিয় অস্ত্ৰকে মুঠ পঁয়ত্ৰিশটা অস্ত্ৰ তথা ৪৫০টা আই ই ডিকে উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি অভিযানৰ সময়ত দুশ চৈধ্যটা বাংকাৰকে ধৰি মাওবাদীয়ে আত্মগোপন বিভিন্ন স্থান ধ্বংস কৰা হয় আৰু প্ৰায় বাৰ হাজাৰ কিলোগ্ৰাম ৰেচন জব্দ কৰা হয়। এই অভিযানত নিহত হোৱা মাওবাদীসকলৰ ২৮ জনক ইতিমধ্যে চিনাক্ত কৰা হৈছে। তেওঁলোকৰ বাবে এক কোটি বাসত্তৰ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। চি আৰ পি এফৰ সঞ্চালক প্ৰধানগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি চৰকাৰে ২০২৬ চনৰ মাৰ্চৰ ভিতৰত দেশক নক্সালমুক্ত কৰাৰ বাবে লোৱা সংকল্প পূৰণৰ বাবে কেন্দ্ৰীয় সুৰক্ষা বাহিনীসমূহে ৰাজ্য আৰক্ষীৰ সহযোগত অবিৰতভাৱে মাওবাদী বিৰোধী অভিযান চলাই আছে।

*-বাইট-*

০০০০০

সুৰক্ষা বাহিনীৰ সফলতাই নক্সালবাদৰ বিৰুদ্ধে চলি থকা অভিযান সঠিক দিশত আগবঢ়াকে সূচাইছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমত লিখা এটা পোষ্ট শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে কয় যে নক্সাল প্ৰভাৱিত অঞ্চলসমূহত শান্তি প্ৰতিষ্ঠা আৰু উন্নয়ন তথা তেওঁলোকক মূলসুঁতিলৈ ওভটাই অনাৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

জম্মুৰ শ্ৰীমাতা বৈষ্ণোদেৱী দেৱোত্তৰ পৰিষদে যাত্ৰীসকলৰ সুবিধাৰ্থে বিনামূলীয়াকৈ আৰতি দৰ্শন তথা থকাৰ সুবিধাকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি ভাৰত আৰু পাকিস্তানৰ মাজত শেহতীয়া সংঘৰ্ষ বিৰতিৰ পাছত যাত্ৰীসকল মন্দিৰ দৰ্শনৰ বাবে যাত্ৰা আৰম্ভ কৰিছে। জম্মু বিমান বন্দৰেও অসামৰিক বিমান সেৱা আৰু হেলিকপ্তাৰ সেৱা পুনৰ আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। দেৱোত্তৰ পৰিষদে ভক্তসকলৰ সুবিধাৰ্থে অনলাইন বুকিং আৰু কাউণ্টাৰৰ জৰিয়তে হেলিকপ্তাৰ সেৱাৰ দিহা কৰিছে।

০০০০০

সম্প্ৰতি নিউয়ৰ্কত থকা ভাৰতৰ এটা কাৰিকৰী দলে আজি ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ বিশেষ গোট আৰু ৰাষ্ট্ৰসংঘৰ অন্যান্য সহযোগী দেশসমূহৰ সৈতে মত বিনিময় কৰিব। সূত্ৰ অনুসৰি দলটোৱে ৰাষ্ট্ৰসংঘৰ সন্ত্ৰাসবাদ বিৰোধী কাৰ্যালয়লৈ যাব আৰু সন্ত্ৰাসবাদ বিৰোধী সমিতিৰ কাৰ্যবাহী সঞ্চালককো সাক্ষাৎ কৰিব।

০০০০০

ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত আজি তুৰস্কৰ ইস্তানবুলত হ'বলগীয়া পোনপটীয়া আলোচনাত উপস্থিত নাথাকে বুলি ক্ৰেমলিন মহলে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি পুটিনৰ সহযোগী ভ্লাডিমীৰ মেডিনস্কিয়ে এই আলোচনাত ৰাছিয়াৰ প্ৰতিনিধি মণ্ডলৰ নেতৃত্ব বহন কৰিব। প্ৰতিনিধি মণ্ডলৰ অন্য সদস্যৰ ভিতৰত উপ বিদেশ মন্ত্ৰী মিখাইল গেলুজিন, জেনেৰেল ষ্টাফ ডাইৰেক্টৰ ইগোৰ কোষ্টিয়ুকোভ আৰু উপ প্ৰতিৰক্ষা মন্ত্ৰী আলেকজেণ্ডাৰ ফোমিন অন্যতম। ইয়াৰ পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমীৰ জেলেনস্কিয়ে ৰাষ্ট্ৰপতি পুটিনক

ব্যক্তিগতভাৱে দেখা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। শ্ৰীজেলেনস্কিয়ে কৈছিল যে এই পোনপটীয়া আলোচনা সফল কৰি তোলাৰ বাবে তেওঁ সম্ভৱপৰ সকলোখিনি কৰিব।

ooooo

বেংককত অনুষ্ঠিত থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছত থাৰুণ মন্নেপল্লী, ডেনমাৰ্কৰ এণ্ড্ৰাৰ্ছ এণ্টনছেনৰ সন্মুখীন হ'ব। মন্নেপল্লীয়ে মালেছিয়াৰ জাষ্টিন হোক ২১-১৯, ২১-১৬ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

মহিলাৰ ছিংগলছত মালবিকা বনছোড় থাইলেণ্ডৰ ৰত্ছানকো ইণ্টানোনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে উন্নতি হুদা থাইলেণ্ডৰ পোৰ্ণপাৱী চোচুৱঙৰ আৰু আকাৰ্শী কাশ্যপ থাইলেণ্ডৰে আন এগৰাকী খেলুৱৈ ছুপনিদা কটেথোঙৰ সন্মুখীন হ'ব।

ইপিনে, মহিলাৰ ডাবলছত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ছায়াকা হোব্‌ৰা আৰু ৰুই হিৰোকামীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ত্ৰিষা আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে মালয়েছিয়াৰ অং শ্বিন য়ী আৰু কাৰমেন টিঙক ২১-১৫, ২১-১৩ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

**সমাপ্ত**